# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-08-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত পৰৱৰ্তী পৰ্যায়ৰ আলোচনাৰ পাছতহে উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপণ কৰা হ'ব। কালি ৰাজ্যৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী তথা গৃহ আৰু সীমা বিভাগৰ মন্ত্ৰী ৱাই পেট্টনৰ নেতৃত্বত দুয়োখন ৰাজ্যৰ চৰকাৰী প্ৰতিনিধিৰ দলে বনাঞ্চলখনৰ উচ্ছেদিত ভূমি পৰিদৰ্শন কৰে। ইয়াৰ পাছতে দলটোৱে উৰিয়ামঘাটৰ বিদ্যাপুৰ খেল-পথাৰত গছপুলি ৰোপন সন্দৰ্ভত এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকৰ পাছত নাগালেণ্ডৰ মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে ৰেংমা বনাঞ্চলখন অসম আৰু নাগালেণ্ডৰ বিবদমান অঞ্চল হোৱা হেতুকে বিষয়টো এতিয়াও ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। এনে পৰিস্থিতিত কোনো এখন ৰাজ্যই এই অঞ্চলত নিজাববীয়াকৈ কাম-কাজ কৰিব নোৱাৰে। দুয়োখন ৰাজ্যৰ মাজৰ সিদ্ধান্তমৰ্মেহে পৰৱৰ্তী সময়ত গছপুলি ৰোপণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইপিনে, বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অনুৰূপ মন্তব্য প্ৰদান কৰাৰ লগতে কয়, যে বনাঞ্চলখনত বনানীকৰণ কৰা হ'ব আৰু প্ৰয়োজন সাপেক্ষে উচ্ছেদৰ কামো চলি থাকিব।

উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনিৰ হিতাধিকাৰীৰ মাজত ধন বিতৰণৰ উদ্দেশ্য তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত উপস্থিত হৈছে। মাৰ্ঘেৰিটাৰ বৰগোলাইৰ দিহিং ক্ৰীড়া প্ৰকল্পত আয়োজিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে হিতাধিকাৰীসকলৰ মাজত এই ধনৰাশি বিতৰণ কৰিব।

০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কলবাৰীত ৮৭ টা পৰিয়ালক কালি মাটিৰ পট্টা প্ৰদান কৰা হয়। মাটিৰ পট্টা প্ৰদান কৰি জালাহ ৰাজহ চক্ৰৰ ভূমি উন্নয়ন সমিতিৰ অধ্যক্ষ বিছন গয়াৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে বিটিআৰ চৰকাৰে ভূমিহীন লোকসকলৰ মাজত ভূমিৰ পট্টা দিয়াৰ কাম আৰম্ভ কৰিছে। মাটিৰ পট্টা লাভ কৰি ৰাইজৰ সমস্যাৰ স্থায়ী সমাধান হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। মথনগুৰি পৰিষদীয় সমষ্টিৰ ভূমিহীন লোকসকলকে মাটিৰ পট্টা প্ৰদান কৰিব বুলি তেওঁ মন্তব্য কৰে। কালিৰ সভাত জালাহ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চত্ৰজিৎ নেওগকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

০০০০

লখিমপুৰ শিক্ষা খণ্ডৰ সমগ্ৰ শিক্ষা লখিমপুৰ আৰু নাওবৈচা ব্লকৰ উদ্যোগত, এলেমকৌ তথা লখিমপুৰ স্বাস্থ্য বিভাগৰ সহযোগত কালি উত্তৰ লখিমপুৰ নগৰ মজলীয়া বিদ্যালয়ৰ দৈনিক পৰিচৰ্যা কেন্দ্ৰত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। জিলাখনত পাঁচ দিনীয়াকৈ অনুষ্ঠিত এই স্বাস্থ্য পৰীক্ষা শিবিৰৰ কালি অন্তিমটো দিনত লখিমপুৰ আৰু নাওবৈচা শিক্ষা খণ্ডৰ মুঠ ১৪১ টি শিশুক স্বাস্থ্য পৰীক্ষা কৰি তেওঁলোকৰ প্ৰয়োজনীয় সামগ্ৰী বাচনি কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ প্ৰদান কৰা হয়।

অনুষ্ঠানত জিলা আঁচনি বিষয়া নিভাৰাণী শইকীয়া, গুণজিত ঠাকুৰীয়াৰ লগতে দুয়োটা শিক্ষা খণ্ডৰ সমল ব্যক্তিসকল উপস্থিত থাকে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইচ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে ব্যাপক সজাগতাৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে জিলাই জিলাই এইচ আই ভি পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিদিনে নতুনকৈ ৫-৬ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। যোৱা বছৰত চিকিৎসা মহাবিদ্যালয়খনত নতুনকৈ ৯ হাজাৰ ১৫০ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। ইয়াকে লৈ চিকিৎসা মহাবিদ্যালয়খনত বৰ্তমান প্ৰায় ১০ হাজাৰ এইচ আই ভি সংক্ৰমিত ৰোগীয়ে নিয়মীয়াকৈ চিকিৎসা সেৱা গ্ৰহণ কৰি আছে।

স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি বিগত ৭ মাহত কামৰূপ জিলাত নতুনকৈ ৯০০ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। একেদৰে শোণিতপুৰ জিলাত বিগত ৪ মাহত নতুনকৈ ২২৬ জন এইচ আই ভি পজিটিভ ৰোগী ধৰা পৰিছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালতো বৰ্তমান দুহেজাৰ ১০৩ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰি আছে বুলি স্বাস্থ্য বিভাগৰ তথ্যত প্ৰকাশ পাইছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত মিজোৰামলৈ ৰে'ল সংযোগ সন্দৰ্ভত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

শিলচৰ টেনিছ ক্লাবৰ উদ্যোগত কাইলৈৰ পৰা চহৰখনৰ পাৰ্ক ৰোডৰ টেনিছ ক্লাবত আন্তঃৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইণ্টাৰনেচনেল টেনিছ ফেডাৰেচন মাষ্টাৰ হাণ্ড্ৰেড শীৰ্ষক এই প্ৰতিযোগিতাৰ ২৯ আগষ্টত সামৰণি পৰিব। দেশৰ বিভিন্ন ৰাজ্যৰ লগতে ভূটান আৰু চিলিৰ শতাধিক খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশ লোৱাৰ কথা। পুৰুষৰ ছিংগলছ্ আৰু ডাবলছ্, মহিলাৰ ডাবলছ্ আৰু মিক্সড শিতানত খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০

যোৰহাট জেইল ৰোড শেনচোৱা গাওঁ নিৱাসী তথা ডি চি বি বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী চেয়েদা বেগমৰ আজি নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। ০

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................